**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 26-02-2026 **Time :** 1100 Hrs.
0000000000

অসমৰ ক্ৰীড়া ক্ষেত্ৰক বিশ্বমানৰ ৰূপ দিয়াৰ বাবে প্ৰতিখন জিলাতে আধুনিক ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণ কৰি থকা হৈছে। ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰত নতুন মাত্ৰা সংযোজনেৰে লখিমপুৰ জিলাত নৱনিৰ্মিত লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰ মুকলি কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে নিৰ্মাণৰত এই ক্ৰীড়া পৰিসৰসমূহ ৰাজ্যৰ তাৰকা খেলুৱৈসকলৰ নামত উৎসৰ্গা কৰা হ'ব। এই ক্ৰীড়া আন্তঃগাঁথনিয়ে ৰাজ্যখনৰ প্ৰতিভাসমূহক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ সুবিধা প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰক কেৱল আন্তঃগাঁথনিয়ে নহয় বৰঞ্চ অসমৰ যুৱ শক্তিৰ সপোন, সাহস আৰু সম্ভাৱনাৰ শক্তিশালী মঞ্চ বুলি উল্লেখ কৰে।

অনুষ্ঠানত অংশ লৈ তাৰকা বক্সাৰ লাভলীনা বৰগোহাঁইয়ে খেলুৱৈসকলক এই ক্ৰীড়া ক্ষেত্ৰৰ সম্পূৰ্ণ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। খেলুৱৈগৰাকীয়ে লগতে নিজৰ নামত ষ্টেডিয়াম নিৰ্মাণক লৈ আনন্দ প্ৰকাশ কৰে।

ড° শৰ্মাই কালি লখিমপুৰত আন কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে এখন জনসভাত অংশ লৈ লখিমপুৰ আৰু ধেমাজি জিলাৰ মুঠ ৪ হাজাৰ ৮৭৫ গৰাকী উদ্যমী যুৱক-যুৱতীৰ মাজত আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰে।

0000000

খানাপাৰাৰ কৃষি সঞ্চালকালয়ৰ চৌহদৰ খেলপথাৰত আজিৰে পৰা এক মাৰ্চলৈ ২৫ সংখ্যক ৰাজ্যিক কৃষি উদ্যান শস্য মেলাৰ আয়োজন কৰা হৈছে। অসম উদ্যান শস্য সমিতিয়ে ৰাজ্য চৰকাৰৰ কৃষি সঞ্চালকালয়, উদ্যান শস্য আৰু খাদ্য প্ৰসংস্কৰণ সঞ্চালকালয়ৰ লগতে অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত আয়োজন কৰা এই মেলাত ৮০ খনৰো অধিক বিপনীয়ে অংশ লৈছে। বিপনীসমূহত বিভিন্ন জিলাৰ উন্নত মানৰ কৃষিজাত আৰু উদ্যানশস্যৰ সামগ্ৰী বিক্ৰীৰ লগতে কৃষি উদ্যান প্ৰযুক্তি বিষয়ক প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হৈছে। অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালক প্ৰধান তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়াই এই মেলা মুকলি কৰিব। উল্লেখযোগ্য যে অসমত প্ৰচুৰ লাভৰ সম্ভাৱনা থকা উদ্যান শস্যৰ ক্ষেত্ৰৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে অসম উদ্যান শস্য সমিতিয়ে ১৯৯৫ চনত প্ৰথমবাৰৰ বাবে মেলাৰ আয়োজন কৰিছিল। এই মেলাত প্ৰথম অৱস্থাত পুলি বাগানকো প্ৰাধান্য দিয়া হৈছিল। ইয়াৰ পাছত দুবাৰ আন্তৰ্জাতিক উদ্যান শস্য মেলাও অনুষ্ঠিত হয়। এইবাৰৰ মেলাত পুস্পসজ্জা, ৰন্ধন কলা, পাচলি, সতেজ ফুল, ফল-মুল, চাদৰ ওপৰত কৰা বাগিচা প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে কৃষি আৰু উদ্যান শস্য বিষয়ক কেইবাখনো আলোচনাচক্ৰ, প্ৰশিক্ষণ আদি অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত কালি এখন সংবাদমেলত অসম উদ্যান শস্য সমিতিৰ এগৰাকী উদ্যোক্তাই এইদৰে কয় –

বাইট

0000000

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কাইলৈ ২ নম্বৰ ৰাষ্ট্ৰীয় জলপথত কেইবাটাও গুৰুত্বপূৰ্ণ অন্তৰ্দেশীয় জলপথ আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন কৰিব। ইয়াৰ ভিতৰত বগীবিল আৰু ধুবুৰীৰ সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ আৰু ডিব্ৰুগড়ৰ ঐতিহ্য ভৱন অন্যতম। এই প্ৰকল্পসমূহে অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু যোগাযোগ ব্যৱস্থা অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। এই উপলক্ষে ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মন্ত্ৰী বিমল বৰা, প্ৰশান্ত ফুকন, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকাকে ধৰি কেইবাগৰাকী ব্যক্তিয়ে কালি অনুষ্ঠানস্থলী পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লয়।

0000000

কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমশীলতা দপ্তৰৰ ৰাজ্য মন্ত্ৰী জয়ন্ত সিঙে কালি হাইলাকান্দিত ৰূপায়িত প্ৰকল্পসমূহৰ পৰ্যালোচনা কৰে। তেওঁ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জৰিয়তে উৎপাদিত সামগ্ৰীৰ মানক লৈ সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে জিলাখনে বৃহৎ খাদ্য প্ৰ-সংস্কৰণ উদ্যোগ স্থাপনৰ কথা বিবেচনা কৰিলে কেন্দ্ৰীয় চৰকাৰে অনুদান প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ ৬৫ হাজাৰ আত্ম-সহায়ক গোটৰ উৎপাদিত সামগ্ৰীসমূহৰো মান উন্নত বুলি মন্তব্য কৰে। মন্ত্ৰীগৰাকীৰ উপস্থিতিত আয়োজিত সভাত অভিলাষী জিলা হাইলাকান্দিত ৩৬ টা প্ৰকল্পৰ কাম দ্ৰুতগতিত ৰূপায়ণ হৈ আছে বুলি বিভাগীয় বিষয়াসকলে অৱগত কৰে। জিলাখনৰ পশু চিকিৎসা খণ্ড আৰু কৃষি খণ্ডত হোৱা উন্নয়নৰ বিষয়েও মন্ত্ৰীগৰাকীক অৱগত কৰোৱা হয়।

০০০০০০০

দক্ষিণ শালমাৰা মানকাচৰৰ বাংলাদেশ সীমান্তৱৰ্তী চতিমাৰী গাঁৱত আৰক্ষীয়ে যোৱানিশা অভিযান চলাই বুজন পৰিমাণৰ ভাংসহ দুজন লোকক আটক কৰে। মানকাচৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত চলোৱা অভিযানত আৰক্ষীয়ে প্ৰায় ২৭ কিলোগ্ৰাম ভাং জব্দ কৰিবলৈ সমৰ্থ হয়। ভাংখিনি নজৰুল ইছলাম আৰু হাছিনুৰ মিঞা নামৰ লোক দুজনে বাংলাদেশলৈ সৰবৰাহ কৰাৰ বাবে নিজৰ ঘৰত জমা কৰি ৰাখিছিল। আৰক্ষীয়ে এই সংক্ৰান্তত অধিক তথ্যৰ বাবে সোধা-পোছা অব্যাহত ৰাখিছে।

০০০০০০০০

নাগালেণ্ডত আজিৰে পৰা তিনিদিনীয়াকৈ উত্তৰ-পূব বসন্ত উৎসৱ ২০২৬ৰ আয়োজন কৰা হৈছে। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ তত্বাৱধানত উত্তৰ-পূব মণ্ডল সাংস্কৃতিক কেন্দ্ৰ ডিমাপুৰৰ সহযোগত আৰু নাগপুৰৰ দক্ষিণ মধ্য মণ্ডল সাংস্কৃতিক কেন্দ্ৰৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। এই উৎসৱৰ উদ্দেশ্য হৈছে উত্তৰ-পূব সীমান্তৰ সমৃদ্ধ লোকসংস্কৃতি আৰু জনজাতীয় সাংস্কৃতিক সম্পদৰ সংৰক্ষণৰ লগতে পৰম্পৰাগত শিল্পীসকলৰ বাবে এখন ৰাষ্ট্ৰীয় মঞ্চ প্ৰদান কৰা।

০০০০০০০

ডিব্ৰু মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ ৰিচাৰ্ছ ক্লাবৰ উদ্যোগত আৰু অসমীয়া বিভাগৰ সহযোগত কালি ২২ সংখ্যক **লক্ষ্মীনাথ বেজবৰুৱা বৈঠক** অনুষ্ঠিত হয়। অনুষ্ঠানত ডিব্ৰুগড় হনুমান বক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° নৰজ্যোতি দত্ত সমল ব্যক্তি হিচাপে উপস্থিত থাকে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমাইয়ে **লক্ষ্মীনাথ বেজবৰুৱাৰ হাস্যব্যংগমূলক গদ্য ঃ বৈবিধ্য আৰু ঐশ্বৰ্য** বিষয়ক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীক কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ শ্ৰেষ্ঠ পঢ়ুৱৈ বঁটা প্ৰদান কৰা হয়।

০০০০০০০০

**সমাপ্ত**